# Class 10th Assamese

## পাঠ:৭

# ভাৰতীয় সংস্কৃতি – হেম বৰুৱা

---

ভাব বিষয়ক:

১। ভাৰতীয় সংস্কৃতিৰ প্ৰাণ কি ?

উত্তৰঃ   ভাৰতীয় সংস্কৃতিৰ প্ৰাণ হ'ল-      ক্ৰমবৰ্ধমান শক্তি ।

২। ফ্ৰম ভলগা টু গংগা' কাৰ ৰচনা ?

উত্তৰঃ  ফ্ৰম ভলগা টু গংগা'  পণ্ডিত ৰাহুল সংস্কৃতায়ন ৰচনা  ।

৩। সৰ্বপল্লী ৰাধাকৃষ্ণনে কালিয়দমন'ৰ কি ব্যাখ্যা দিছে ?

উত্তৰঃসৰ্বপল্লী ৰাধাকৃষ্ণণৰ মতে ই অনাৰ্যক , আৰ্যক সংস্কৃত কৰাৰ প্ৰতীকধৰ্মী  নৃত্য ।

৪। কোনটো যুগক ভাৰতীয় সংস্কৃতিৰ বিস্তাৰ যুগ বুলিব পাৰি ?

উত্তৰঃ বৌদ্ধ ধৰ্মৰ প্ৰচাৰ যুগক ভাৰতীয় সংস্কৃতিৰ বিস্তাৰ যুগ বুলিব পাৰি ।

৫।   শিৱ আৰু শক্তি পূজাৰ মূল  ক'ত আৱিষ্কাৰ হৈছিল ?

উত্তৰঃ।  শিৱ আৰু শক্তি পূজাৰ মূল     মহেঞ্জোদাৰোত  আৱিষ্কাৰ হৈছিল ।

৬। ইছলামীয় ভাষ্কৰ্যৰ মূল সম্পদ কি ?

উত্তৰঃগঠনৰ সৰলতা আৰু সূক্ষ্মতা ইছলামীয় ভাষ্কৰ্যৰ মূল সম্পদ ।

৭। অজন্তা ছবিবোৰত প্ৰকাশ পোৱা ভাব বস্তু দুটা কি কি ?

উত্তৰঃ অজন্তা ছবিবোৰত প্ৰকাশ পোৱা ভাব বস্তু দুটা প্ৰকাশ পাইছে  এটা হৈছে  সন্ন্যাস জীৱন আৰু আনটো হৈছে সমূহীয়া জীৱন ।

৮। গান্ধীজীয়ে নতুন যুগৰ ভাৰতীয় সংস্কৃতি কেনেকুৱা হ'ব লাগে বুলি মত প্ৰকাশ কৰিছে ?

উত্তৰঃ গান্ধীজীয়ে নতুন যুগৰ ভাৰতীয় সংস্কৃতি সমন্বয়ৰ বস্তু হ'ব লাগে বুলি মত প্ৰকাশ কৰিছে।

৯। সুকুমাৰ কলাৰ ভিতৰত কোনটো শিল্পক বেছি স্থায়ী বোলা হৈছে ?

উত্তৰঃ   সুকুমাৰ কলাৰ ভিতৰত  চিত্ৰ শিল্পক বেছি স্থায়ী বোলা হৈছে ।

১০। হেম বৰুৱাৰ সাহিত্য চৰ্চা সম্পৰ্কে পঁচিছটামান শব্দৰ ভিতৰত এটি পৰিচয় দিয়া।

উত্তৰঃ সাম্প্ৰতিক স্তৰৰ লেখক সকলৰ ভিতৰত হেম বৰুৱা অন্যতম কবিতা আৰু গদ্যৰচনা উভয় দিশতে তেওঁ বৰঙণি আগবঢ়াইছে। তেওঁৰ ‘বালিচন্দা ’ ( ১৯৬২ ) আৰু মন - ময়ূৰী ' ( ১৯৬৭ ) প্ৰখ্যাত কবিতা সংকলন। তেওঁৰ গদ্য সাহিত্যসমূহ হ'ল ‘ আধুনিক সাহিত্য ’ ( ১৯৫০ ) , ' সাগৰ দেখিছা ' ( ১৯৫৪ ) , সানমিহলী ( ১৯৫৭ ) , ৰঙা কৰবীৰ ফুল ' ( ১৯৫৮ ) ‘ কিউপড আৰু চাইকী ' ( ১৯৫৯ ) , কন্নকী ' ( ১৯৬০ ) ‘ এই গাঁও এই গীত ( ১৯৬২ ) কন্নকী , মেকং নৈ দেখিলো , ইজৰাইল , স্মৃতিৰ পাপৰি। তেওঁৰ ‘ সাগৰ দেখিছা ’ আৰু ৰঙা কৰৱীৰ ফুল ’ — ভ্ৰমণ বৃত্তান্তমূলক গ্ৰন্থ। আধুনিক সাহিত্য আৰু সানমিহলি জটিল বিষয়ৰ আলোচনা বিষয়ক পুথি। জনতা ( ১৯৪৬ ) আৰু পছোৱা ( ১৯৪৮-৮৯ ) কাকত সম্পাদন কৰি তেওঁ সাংবাদিকৰ ক্ষেত্ৰখনতো ভৰি দিয়ে।

১১। ভাৰতীয় সংস্কৃতি ’ পাঠটোৰ সাৰাংশ লিখা।

উত্তৰঃ হেম বৰুৱাই ভাৰতীয় সংস্কৃতি যে , মিলনৰ সংস্কৃতি তাকে ক’ব বিচৰা হৈছে। ভাৰতীয় সংস্কৃতি গঢ় লৈ উঠিছে আৰ্য , অনাৰ্য , মংগোলীয় , দ্ৰাবিড় আদি জনগোষ্ঠীৰ লগতে অতীজত ভাৰতলৈ আহি বসবাস কৰিবলৈ লোৱা গ্ৰীক , শক , হু আদি বিভিন্ন জাতিৰ সমন্বয়ৰ মাজেৰে। আদিৰে পৰা মোগল , ৰাজপুত আজি বংশৰ শাসনকালত ভাৰতীয় সংস্কৃতিৰ ভালেমান নতুন নতুন দিশৰ আগমন ঘটে। আৰ্য - অনাৰ্য দেৱ - দেৱীৰ কথা কোৱাৰ লগতে , উত্তৰ উত্তৰ ভাৰতীয় আৰু দক্ষিণ ভাৰতীয় ভাষ্কৰ্য্যৰ আভাসো ইয়াত প্ৰকাশ পাইছে। ভাৰতীয় সংস্কৃতিৰ ওপৰত বিশেষকৈ ভাস্কৰ্য্য , চিত্ৰ , আদিত ইছলামীয় সংস্কৃতিৰ প্ৰভাৱ পৰিছে , এই কথাই সংস্কৃতিৰ মিলনকে বুজায়। আধ্যাত্মিকতাবাদ , সাহিত্য , চিত্ৰশিল্প , সংগীত , ভাস্কৰ্য আদি প্ৰতিটো দিশতেই এটা জাতিৰ প্ৰভাৱ আনটো জাতিৰ ওপৰত পৰিছে। সংস্কৃতিৰ এই তথ্য আগবঢ়াওঁতে লিখকে বুৰঞ্জীৰ বিষয়েও কৈছে।

মুঠতে ভাৰতীয় সংস্কৃতি পাঠটোৰ সাৰাংশ হ’ল এয়ে যে সংস্কৃতি এদিনতে গঢ়ি উঠা এটা বস্তু নহয়। যুগ যুগ ধৰি বিভিন্ন জাতি - জনজাতিৰ মিলনৰ ফলতে ভাৰতীয় - সংস্কৃতিৰ সৃষ্টি।

১২। “ ভাৰতীয় সংস্কৃতি এক বিৰাট সমন্বয়ৰ বস্তু”। - এইকথাষাৰ কিমান দূৰযুক্তিপূৰ্ণ , ভাৰতীয় সংস্কৃতি’পাঠটোৰ আধাৰত বিচাৰ কৰা।

উত্তৰঃ হেম বৰুৱা ৰচিত ' ভাৰতীয়া সংস্কৃতি পাঠটোৰ আৰম্ভণিয়ে হৈছে প্ৰশ্নৰ্দ্ধত বাক্যশাৰীৰ মাজেৰে। ভাৰতীয় সংস্কৃতিৰ বিষয়ত এই বাক্যশাৰীৰ যুক্তিপূৰ্ণ। কিয়নো , কোনো এটা জাতি - জনজাতিৰ মাজত পৰম্পৰাগত ভাৱে যিবোৰ ৰীতিনীতি , মাত কথা , গীত - পদচলি আহিছে , তাকে সেই জাতি - জনজাতিৰ সংস্কৃতি বুলি ক'ব পাৰি।

ভাৰত বৰ্ষখন বিভিন্ন জাতি - জনজাতি লোকৰ মিলনভূমি। আদিকালৰে পৰা ভাৰতবৰ্ষক সময়ে সময়ে বিভিন্ন বংশৰ লোকে শাসন কৰি , তেওঁলোকৰ নিজ নিজ কৃষ্টি - সংস্কৃতি ইয়াত বিলাই দি গৈছে।

ভাৰতত আৰ্য , অনাৰ্য , মংগোলীয় , দ্ৰাবিড় গোষ্ঠীৰ লোকসকল একেলগে একে ভাৰতীয় হিচাপে বাস কৰি আছে। তদুপৰি অতীজতে গ্ৰীক , শক , আদি বিভিন্ন। বিদেশী জাতিৰ লোকো আহি ভাৰতত নিগাজিকৈ বাস কৰিবলৈ লয়। সময়ত পৰস্পৰে পৰস্পৰৰ লগত কথা মিলামিছাৰ ফলত নিজ নিজ ভাষা , সামাজিক , ৰাজনৈতিক , আদৰ্শ , সাহিত্য , শিল্পকলা , দৰ্শন আদি প্ৰতিটো ক্ষেত্ৰতে এক বিৰাট সমন্বয়ৰ সৃষ্টি হয়। সময়ত কোনটো জাতিৰ কি বৈশিষ্ট্য কোনটো জাতিলৈ গৈছে। সেয়া সূক্ষ্মভাৱে বিচাৰ কৰা কঠিন হৈ পৰে। সেয়ে ক’ব পাৰি যে ভাৰতীয় সংস্কৃতি বুলি কোনো নিজ সংস্কৃতি নাই।ইয়াত বাস , জাতি - জনজাতিৰ সংস্কৃতিৰ মিলনেই ভাৰতীয় সংস্কৃতি। উদাহৰণস্বৰূপে দ্ৰাবিড় সকলৰ মাজত প্ৰচলিত দেৱ - দেৱীৰ ধৰ্ম পদ্ধতি আৰ্য সমাজে গ্ৰহণ কৰিছিল। সেইদৰে আৰ্য দেৱতা শিৱই কালক্ৰমত আৰ্যৰ বেদীত ঠাই পাইছিল। ছুফিবাদৰ মূল কোৰাণ শাস্ত্ৰ যদিও ছুফিবাদ আৰু উপনিষদৰ দৰ্শনৰ মাজত এক অভুতপূৰ্ব মিল দেখা যায়। হিন্দু ভাস্কৰ্য আৰু ইছলামীয় ভাস্কৰ্য মাজততা সমিল - মিল দেখা যায়।

সেয়েহে ক'ব পাৰি যে বিভিন্ন জাতি - জনজাতিৰ মিলনভূমি ভাৰতৰ সংস্কৃতি সমন্বয়ৰ সংস্কৃতি।

১৩। সভ্যতা আৰু সংস্কৃতি’শব্দ দুটাৰ মাজৰ পাৰ্থক্য বিচাৰ কৰা।

উত্তৰঃ সমাজত বহুল ব্যৱহৃত দুটা শব্দ হ'ল — সভ্যতা আৰু সংস্কৃতি। বিশেষ। এখন সমাজৰ সামাজিক বা ৰাজনৈতিক জীৱন পদ্ধতিয়ে সেই সমাজৰ সভ্যতা। আকৌ সংস্কৃতি হ’ল মানৱ সমাজ পদ্ধতিৰ সৈতে জড়িত এটি

সামগ্রিক ধাৰণা। সংস্কৃতিয়ে জ্ঞান , বিশ্বাস , কলা , আইন , আচাৰ , আদিৰ যোগেদি মানৱৰ সামগ্রিক জীৱন চৰ্চাক সামৰি লয়।

সভ্যতা আৰু সংস্কৃতিশব্দ দুটা এটা আনটোৰ পৰিপূৰক হ'লেও শব্দ দুটাৰ মাজত পাৰ্থক্য আছে। সভ্যতা ইবিশেষ এটা সামাজিক বা ৰাজনৈতিক অৱস্থা বুজায়। ই এটা সমাজ পদ্ধতি।এনে ধৰণৰ জীৱন পদ্ধতিৰ জৰিয়তে সংস্কৃত জীৱন সম্ভৱপৰ নহয়। সমাজ সভ্য অৰ্থাৎ সু - শৃংখল নহ'লে কোনো ব্যক্তি বা অনুষ্ঠানৰ পক্ষে : হাতত লোৱটো সম্ভৱ নহয়।

আনহাতে , সংস্কৃতি হৈছে কোনো এটা জাতিৰ বা সমাজ এখনৰ জীৱন প্ৰতিভা। এটা জাতি সু - সভ্য হৈও ইয়াৰ কোনো লেখত লৱলগীয়া সাংস্কৃতিক স্তৰ নাথাকিব পাৰে। ভাষা , সাহিত্য , সুকুমাৰ কলা দৰ্শন আদি ক্ষেত্ৰ প্ৰকাশ পোৱা প্ৰতিভাই হৈছে জাতি বিশেষৰ সংস্কৃতিৰ মাপকাঠী।

সভ্যতাই সমাজ সুশৃংখল কৰি সংস্কৃতিৰ সৃষ্টিত আৰুৰূপ দিয়াত সহায় কৰে।

১৪। উত্তৰ ভাৰত , দাক্ষিণাত্য আৰু ইছলামীয় ভাস্কৰ্যৰ বিষয়ে তোমাৰ পাঠ্যপুথিৰ সহায়ত লিখা।

উত্তৰঃ  বিভিন্ন সংস্কৃতিৰ মিলনভূমি ভাৰতৰ ভাস্কৰ্য শিল্পৰ ক্ষেত্ৰতো  উত্তৰ ভাৰত , দাক্ষিণাত্য , ইছলামীয় সকলৰ ভাস্কৰ্যৰ মাজত কিছুস্বকীয়তা দেখা যায়। যেনে , উত্তৰ ভাৰতীয় ভাস্কৰ্যত বৃত্ত আৰু বক্ৰ ৰেখাৰ প্ৰাদুৰ্ভাৱসৰহ। ইসংহতিৰ ভাস্কৰ্য।ইয়াত বহিৰাগতৰ প্ৰভাৱ পৰা বাবে উত্তৰ ভাৰতৰ ভাস্কৰ্য নিজস্ব বৈশিষ্ট্য নিচেই কম। ইয়াৰ মন্দিৰবোৰত ইছলামীয় ভাস্কৰ্য ভালেখিনি প্ৰভাৱ পৰিছে। দাক্ষিণাত্যৰভাস্কৰ্যত কোণ আৰু সৰল ৰেখাৰ প্ৰভাৱ বেছি। গঠনৰ বিশালতা ইয়াৰ আন এটি বৈশিষ্ট্য। ইয়াৰ প্ৰত্যেকটো ভংগীমাই সুকীয়া। এটা আৰ্হিৰ লগত আনটো আৰ্হিৰ মিলনাই। উদাহৰণস্বৰূপে কাঞ্জিভৰামৰ মন্দিৰলৈ আঙুলিয়াব পাৰি। এই মন্দিৰটোত অন্ততঃ এহেজাৰটা স্তম্ভ আছে। ইয়াৰ এটা স্তম্ভৰ আৰ্হি আনটোৰ লগত নিমিলে। এইবোৰৰ সাজ - সজ্জাৰ জাক - জমকতাই আৰু প্ৰতিকৃতিৰ বিশালতাই অন্তৰ চুই যায়।

ইছলামীয় ভাস্কৰ্যৰ মূল সম্পদ হৈছে গঠনৰ সৰলতা আৰু সূক্ষ্মতা। ৰেখাৰ লগত ৰেখাৰ সমন্বয় ইছলামীয় ভাস্কৰ্যত আছে। জ্যামিতিৰ ছবিবোৰৰ দৰে এইবোৰ সৰল।

১৫। অজন্তাৰ গুহাৰ শিল্পকলাৰ এটি বিৱৰণ দিয়া।

উত্তৰ : ভাৰতীয় চিত্ৰকলাৰ সৰ্বশ্ৰেষ্ঠ পৰিপূৰ্ণ ৰূপ অজন্তা গুহাৰ শিল্পকলাত দেখা যায়। পশ্চিমঘাট পৰ্বতমালাৰ ইন্দ্ৰিয়াদি নামৰ অশ্বখুৰাকৃতিৰ পাহাৰৰ গাত অজন্তা গুহা অৱস্থিত। ইয়াৰ শিল্প কলা অনন্তকালৰ বাবে সঞ্জীৱিত হৈ আছে। ইয়াৰ জৰিয়তে ভালেমান গতি - প্ৰগতিৰ সমন্বয় উজ্জ্বল হৈ আছে। ইয়াৰ ছবিবোৰত দুটা ভাৱ বস্তু প্ৰকাশ পাইছে। এটা হৈছে সন্যাস জীৱন আৰু আনটো হৈছে সমূহীয়া জীৱন। দুয়োবিধ ভাৱ বস্তু ছবি একেলগে গুহাত অংকিত হৈছে। সমূহীয়া জীৱন প্ৰকাশক ছবিবোৰত ফুটি উঠিছে শক্তি , খ্যাতি , প্ৰেম আৰু যৌৱন। সন্যাস জীৱনৰ ছবিবোৰত আছে দয়া , ধ্যান আৰু মৌনতা। ভাৱ বস্তুৰ পৰা পৃথক যদিও দুয়োবিধ ছবিয়ে একেলগে অংকিত হৈছে। জীৱনৰ অ - সামঞ্জস্যক একেলগে গ্ৰহণ কৰিব পৰা শক্তিৰ সঙ্কেত এই শিল্পকলাত আছে। প্ৰাক্ মুছলিম যুগৰ জীৱন প্ৰাচুৰ্যৰ কথাও এই শিল্পকলাত দেখা যায়। পুৰুষ , মহিলা , শিশু বিবিধ ভংগিমাত সকলোবোৰ একে ঠাইতে অংকিত হৈছে। জীৱনৰ প্ৰাচুৰ্যই যেন শিল্পীক মতলীয়া কৰিছে। ছবিবোৰৰ ভাৱবস্তুৰ অসামঞ্জস্যৰ মাজতো বাস্তৱৰ অখণ্ডতাৰ কথা বিস্মৃত হোৱানাই। শিল্পীৰ শিল্পজগত আৰু বাস্তৱ জীৱনৰ মাজত এক সুন্দৰ সমন্বয় ইয়াত স্থাপিত হৈছে।

১৬। মোগল সম্ৰাট বাবৰৰ আমোলত ভাৰতত প্ৰৱেশকৰা চিত্ৰকলাৰ নতুন  ধাৰাটি কেনে আছিল লিখা।

উত্তৰঃ মোগল সম্ৰাট বাবৰৰ আমোলত ভাৰতত চিত্ৰকলাৰ এটি নতুন ধাৰাৰ প্ৰৱেশ ঘটে। এই নতুন চিত্ৰ শিল্পৰ মূলতে আছিল প্ৰচুৰ ব্যক্তিবোধ। এনে ধৰণৰ ব্যক্তিবাদী আৰ্টত জনজীৱন বা সমষ্টি জীৱনৰ কোনো সংবাদ নাছিল। ইয়াৰ লক্ষ্য আছিল ব্যক্তিৰ জীৱন প্ৰকাশ। ইয়াৰ জন্ম হৈছিল টাইমূৰ খাঁ আৰু চেংগীজ খাৰ ৰাজদৰ বাৰত। যুগৰ প্ৰকৃতি অনুসৰি এই চিত্ৰকলা ব্যক্তিবাদী আৰু কঠোৰ হ'বলৈ বাধ্য হৈছিল। ইয়াত ভাৱ - প্ৰৱণতাৰ সলনি বিপুল উৎসাহ উদ্দীপনা আৰু প্ৰেৰণাৰ প্ৰকাশ ঘটিছিল।

১৭। উত্তৰ ভাৰতৰ সংগীতে কি নতুন বস্তু আমাৰ চকুত পেলায় বুলিছে ?

উত্তৰঃ উত্তৰ ভাৰতৰ সংগীতে এটি নতুন বস্তু আমাৰ চকুত পেলায় । সেই নতুন বস্তুটো হৈছে , গাম্ভীৰ্যৰ লগত ঠায়ে ঠায়ে প্ৰকাশিত উৰণীয়া ভাৱৰ সংযোগ ।

১৮। ভাৰতীয় সংস্কৃতিত ইছলামৰ অৰিহণাৰ এটি টোকা যুগুত কৰা ।

উত্তৰ: ভাৰতীয় সংস্কৃতি সমিল - মিলৰ সংস্কৃতি । ভাৰতীয় সংস্কৃতিত ভাৰতত বসবাস কৰা বিভিন্ন জাতি , ধৰ্ম সম্প্ৰদায়ৰ দৰে ইছলামৰ অৰিহণাও অতি মন কৰিবলগীয়া । বিশেষকৈ ইছলামক ছুফি বাদ আৰু ভাৰতীয় শাস্ত্ৰ উপনিষদৰ মাজত এক অভূতপূৰ্ব মিল দেখা যায় । ইছলামীয় ভাস্কৰ্যই হিন্দু ভাস্কৰ্যক এক নতুন কাৰু কাৰ্য প্ৰদান কৰিছে।তাজমহল ইয়াৰ উৎকৃষ্ট নিদৰ্শন । ভাৰতৰ প্ৰচলিত চিত্ৰশিল্পৰ লগত ইছলামীয় চিত্ৰশিল্পৰ মিলন ঘটি ভাৰতীয় চিত্ৰশিল্পক এক বৈচিত্ৰ্য প্ৰদান কৰিছে । ৰাজপুত আৰু মোগল সকলৰ আৰ্টত এক বৈচিত্ৰ্য দেখা যায় । ইছলামীয় সাহিত্যৰ ভাৱধাৰাও ভাৰতীয় সাহিত্যত একীভূত হৈছে ।

এইদৰেই ভাৰতীয় সংস্কৃতিক ইছলামৰ অৰিহণাই আৰু অধিক জাতিষ্কাৰ কৰি তুলিছে ।

১৯। প্ৰাক মুছলিম যুগ আৰু মুছলিম যুগৰ ভাৰতীয় ভাস্কৰ্য আৰু শিল্পকলাৰ বিষয়ে এটি টোকা যুগুত কৰা ।

উত্তৰঃ প্ৰাক্ মুছলিম যুগৰ ভাস্কৰ্য আৰু শিল্পকলাৰ নিদৰ্শন উত্তৰ ভাৰতত পোৱা যায় । মুছলিম সকলৰ আগমনৰ আগত সমগ্ৰ উত্তৰ ভাৰততে ভাস্কৰ্য আৰু শিল্পকলা যি ৰূপত আছিল সেই ৰূপৰ মিশ্ৰিত পৰিবৰ্তন হয় ঘাইকৈ উত্তৰ ভাৰতত । কাৰণ মুছলিম সকলৰ প্ৰভাৱ তথা ৰাজত্ব উত্তৰ ভাৰতত বিয়পি পৰিছিল আৰু প্ৰাক মুছলিম যুগত ভাৰতত থকা ভাস্কৰ্য আৰু শিল্পকলাৰ লগত মুছলিম ভাস্কৰ্য আৰু শিল্পকলাৰ মিলন ঘটি এক অপূৰ্ব ৰূপ লয় । সেই কাৰণেই উত্তৰ ভাৰতীয় ভাস্কৰ্য আৰু শিল্পকলা এক সমন্বয়ৰ বস্তু । এই ভাস্কৰ্য আৰু শিল্পকলাক অকল ইছলামীয় বা হিন্দু স্থানী বুলিব নোৱাৰি ।

দাক্ষিণাত্যত মুছলমানৰ প্ৰভাৱ বা শাসন তেনেভাৱে নাছিল কাৰণেই প্ৰাক্ মুছলমান । যুগৰ ভাস্কৰ্য আৰু শিল্পকলাৰ লগত মুছলমান যুগৰ ভাস্কৰ্য আৰু শিল্পকলাৰ সম্পৰ্ক । স্থাপিত হোৱা নাছিল।ইয়াৰ ভাস্কৰ্য আৰু শিল্পকলাত প্ৰাক মুছলমান যুগৰ ৰূপ প্ৰায় থাকি গ'ল আৰু সেইবোৰত একোটা নিজস্ব বিচাৰ পদ্ধতি দেখিবলৈ পোৱা যায় । ই ভাৰতীয় সংস্কৃতিৰ বৈচিত্ৰ্যকে ৰঙীণ কৰি তুলিছে । দাক্ষিণাত্যৰ ভাস্কৰ্যত কোণ আৰু সৰল ৰেখাৰ প্ৰাদুৰ্ভাৱ সৰহ।গঠনৰ বিশালতা হৈছে ইয়াৰ আন এক বৈশিষ্ট্য । প্ৰত্যেকটো ভংগীমাই সুকীয়া সুকীয়া । উদাহৰণস্বৰূপে কাঞ্জিভৰাম মন্দিৰৰ কথা ক'ব পাৰি । এই মন্দিৰত অন্ততঃ এহেজাৰটা স্তম্ভ আছে । ইয়াৰ স্তম্ভৰ আৰ্হি বা ভাস্কৰ্য ইটোৰ লগত সিটোৰ মিলনাই । এইবোৰৰ সাজ - সজ্জাৰ জাকজমকতা আৰু প্ৰকৃতিৰ বিশালতাই সকলোকে অভিভূত কৰি তোলে ।

প্ৰাক্ মুছলিম যুগৰ জীৱনৰ প্ৰাচুৰ্যৰ কথা অজন্তাৰ শিল্পকলা অৰ্থাৎ চিত্ৰসমূহত প্ৰকাশ পাইছে । শিশু , পুৰুষ , মহিলা , বিবিধ ভংগিমাত সকলোবোৰ একে ঠাইতে অংকিত হৈছে । জীৱনৰ প্ৰাচুৰ্যই যেন শিল্পীক মতলীয়া কৰি তুলিছে । চিত্ৰসমূহৰ ভাৱ বস্তুৰ সামঞ্জস্যৰ মাজতো বাস্তৱৰ অখণ্ডতাৰ কথা পাহৰি যোৱা নাই । শিল্পীৰ শিল্পজগত আৰু বাস্তৱ জীৱনৰ মাজত এক সুন্দৰ সমন্বয় স্থাপিত হৈছে ।

উত্তৰ ভাৰতৰ অৰ্থাৎ মুছলমান যুগৰ ভাস্কৰ্য দাক্ষিণাত্যৰ ভাস্কৰ্যৰ লগত নিমিলে । উত্তৰ ভাৰতীয় ভাস্কৰ্যত বৃত্ত আৰু বক্ৰৰেখাৰ প্ৰাদুৰ্ভাৱ বেছি । এই অঞ্চলৰ মন্দিৰবোৰত ইছলামীয় ভাস্কৰ্যৰ প্ৰভাৱ ভালেখিনি দেখা যায়।ই আচলতে সংহতিৰ ভাস্কৰ্য । ইয়াৰ শোভা সমন্বয় আৰুগঠনৰ সুক্ষ্মতাৰ জৰিয়তে প্ৰকাশ পাইছে । দাক্ষিণাত্যৰ দৰে কাৰু কাৰ্যৰ বিশালতাৰ সহায়ত নহয় । গঠনৰ সৰলতা আৰু সূক্ষ্মতা হৈছে ইছলামীয় ভাস্কৰ্যৰ মূল সম্পদ ।

মুছলিম যুগৰ চিত্ৰ শিল্পৰ মূলতে আছিল প্ৰচুৰ ব্যক্তিবোধ । এনে ব্যক্তিবাদী শিল্পকলাত জনজীৱন বা সমাজ জীৱনৰ কোনো সংবাদ নাছিল । ইয়াৰ লক্ষ্য আছিল ব্যক্তিৰ জীৱন প্ৰকাশ । গতিকে যুগৰ প্ৰকৃতি অনুসৰি মুছলিম যুগৰ এই শিল্পকলা ব্যক্তি বাদী আৰু কঠোৰ হ'বলৈ বাধ্য হৈছিল । ইয়াত ভাৱ - প্ৰৱণতাৰ সলনি বিপুল উৎসাহ - উদ্দীপনা , প্ৰেৰণাৰ প্ৰকাশ ঘটা দেখা যায় ।

এইদৰে প্ৰাক্ মুছলিম আৰু মুছলিম যুগৰ ভাৰতীয় ভাস্কৰ্য আৰু শিল্পকলা স্বকীয় বৈশিষ্ট্যৰে উজ্জ্বল আছিল ।

২০। ব্যাখ্যা কৰা :

( ক ) সংস্কৃতিৰ অবিচ্ছিন্ন ধাৰাই হৈছে ভাৰতীয় জীৱনৰ মূল সম্পদ ।

উত্তৰঃ ব্যাখ্যেয় কথাষাৰ আমাৰ পাঠ্যপুথিত সন্নিবিষ্ট হেম বৰুৱাৰ দ্বাৰা ৰচিত 'ভাৰতীয় সংস্কৃতি' নামৰ পাঠটিৰ পৰা তুলি দিয়া হৈছে।

ভাৰতীয় সংস্কৃতিৰ সমন্বয়াত্মক বৈশিষ্ট্যৰ বিষয়ে ক'বলৈ গৈ লেখকে এনেদৰে মন্তব্য কৰিছে।

ভাৰতীয় সংস্কৃতিৰ প্ৰবাহ অতীতৰ পৰাই অবিচ্ছিন্নভাৱে বৈ আহিছে। একালত ভাৰতবৰ্ষত অতি উচ্চ থলুৱা অনাৰ্যসংস্কৃতিৰ পয়োভৰ ঘটিছিল। বহিবাগত আৰ্যসকল আহি উচ্চ সংস্কৃতিসম্পন্ন অনাৰ্যসকলৰ ওপৰত ৰাজনৈতিক প্ৰভুত্ব স্থাপন কৰিছিল। কিন্তু সংস্কৃতিৰ ক্ষেত্ৰত আৰ্যসকলো থলুৱা সুস্থ - সবল সাংস্কৃতিক জীৱন প্ৰবাহত পৰিবলৈ বাধ্য হৈছিল। আৰ্যসকল আহি ভাৰতবৰ্ষত আৰ্য সংস্কৃতিৰ বৰঘৰ সাজিছিল। যদিও পূৰ্ব অনাৰ্য সংস্কৃতিকেই তেওঁলোকে মূল ভেটিৰূপে গ্ৰহণ কৰিছিল। পৰৱৰ্তী কালতোভাৰতলৈ ভিন ভিন সংস্কৃতিসম্পন্ন নানা জাতি - গোষ্ঠীৰ আগমন ঘটিছিল। প্ৰত্যেকেই পূৰ্বৰে পৰা চলি অহা ভাৰতীয় সংস্কৃতিৰ নানা উপাদানেৰে এই প্ৰবাহটোক পৰিপুষ্ট কৰিছিল। কোনো বহিৰাগত জাতি - গোষ্ঠীৰ সাংস্কৃতিক পৰম্পৰাই ভাৰতীয় সংস্কৃতিৰ মূল প্ৰবাহটোক কেতিয়াও অস্বীকাৰ কৰিব পৰা নাছিল। ভাষা , সাহিত্য , স্থাপত্য , ভাস্কৰ্য , সংগীত , চিত্ৰকলা , দৰ্শন আদি সংস্কৃতিৰ ভিন ভিন উপাদান সমূহ এনেদৰে সমন্বয়াত্মক আদৰ্শেৰে যুগে যুগে পৰিপুষ্ট হৈ ভাৰতীয় সংস্কৃতিক এক বৈচিত্ৰ্যপূৰ্ণ আৰু মহীয়ান সংস্কৃতিৰূপে গঢ়ি তুলিছিল।

( খ ) ভাৰতৰ বুৰঞ্জী হৈছে ৰাজ্যৰ উত্থান - পতন , ভঙা - গঢ়াৰ সবিশেষ বুৰঞ্জী।

উত্তৰঃ প্ৰশ্নোত কথাফাঁকি আমাৰ পাঠ্যপুথিত সন্নিবিষ্ট হেম বৰুৱাৰ দ্বাৰা ৰচিত ‘ ভাৰতীয় সংস্কৃতি ’ পাঠটোৰ পৰা তুলি দিয়া হৈছে।

ভাৰতৰ বুৰঞ্জীৰ বিষয়ে এটি ধাৰণা দিবলৈ যোৱাৰ প্ৰাৰম্ভতে লেখকে এই কথাষাৰ অৱতাৰণা কৰিছে।

ভাৰতীয় সংস্কৃতি বিৰাট এক সমন্বয়ৰ সংস্কৃতি। নানা জাতি - উপজাতি , সভ্যতা , কৃষ্টি আদিৰ অদ্ভুত মিলন ঘটিছে এই ভাৰতভূমিত। সময়ৰ লগে লগে ভাৰতবাসীৰ সামাজিক , ৰাজনৈতিক , অৰ্থনৈতিক জীৱন যাত্ৰাৰ প্ৰণালী সলনি হৈছে। এই সকলোবোৰ পৰিৱৰ্তন যুগে যুগে প্ৰকাশিত হৈ আহিছে যদিও অতীতৰ বহুতো জ্বলন্ত দৃষ্টান্ত অতি সজাগতাৰে ধৰি ৰাখিছে ভাৰতীয় বুৰঞ্জীয়ে। উত্থান - পতন হৈছে মানুহৰ জীৱনৰ নিৰৱচ্ছিন্ন অংশ। ইটোৰ পিছত সিটো মানৱ গোষ্ঠীৰ আগমন বা অভিযান , বিভিন্ন পৰিয়ালৰ শাসনভাৰ গ্ৰহণ আদি ঘটনাৰ ভাৰত বুৰঞ্জী ভাৰাক্ৰান্ত। ভাৰতীয় সভ্যতাৰ প্ৰথম চিনাকি হিচাপে সগৌৰৱে হৰপ্পা আৰু মহেঞ্জোদাৰোৰ কথা ক'ব পাৰি। এই সংস্কৃতিয়ে আমাক এটা আৰ্য পূৰ্ব যুগৰ ইংগিত দিয়ে। সেই সংস্কৃতি , কালৰ গৰাহত নষ্ট হৈছিল যদিও একেবাৰে ধ্বংস হৈ যোৱা নাছিল আৰু সেই ধ্বংসপ্ৰাপ্ত আৰ্হিকে ভেটি কৰি আৰ্যসকলে পাছৰ যুগত এটা নতুন সংস্কৃতিৰ সূচনা কৰিছিল। হয়তো বৰ্তমান এনেবোৰ কথা প্ৰকাশ কৰাই কঠিন হ'লহেঁতেন যদিহে আমাৰ বুৰঞ্জীত এইবোৰ আগতে অন্তৰ্ভুক্ত কৰি থোৱা নহ'লহেঁতেন। এই ভাৰতৰ বুৰঞ্জীতে লিপিবদ্ধ হোৱা এই কাহিনীৰ কথা ব্যক্ত কৰাৰ প্ৰসংগৰে লিখকে এইদৰে হৈছে।

( গ ) সকলো আৰ্টৰ মূলতে দুটা বিপৰীত পন্থাই কাম কৰা দেখা যায়।

উত্তৰঃপ্ৰশ্নোত কথাফাঁকি আমাৰ পাঠ্যপুথিত অন্তৰ্গত হেম বৰুৱা বিৰচিত 'ভাৰতীয় সংস্কৃতি ’ পাঠটোৰ পৰা বুটলি অনা হৈছে।

কলাশিল্পৰ প্ৰকাৰ , আৰু কলাশিল্পই যে ভাৰতীয় সংস্কৃতিৰ এক বিৰাট অংশ। আগুৰি আছে তাকে ক'বলৈ গৈ উক্ত কথাষাৰৰ অৱতাৰণা কৰিছে।

সকলো বস্তু সৃষ্টিৰ আঁৰত একোটা আৰ্ট বা কলা থাকে। নিখুঁত বস্তুৰ সৃষ্টি হলে। কলা নিখুঁত হয় আৰু অসামঞ্জস্যতাই খামখেয়ালি কলাৰ সৃষ্টি কৰে। সকলো আৰ্টৰ মূলতে দুটা বিপৰীত পন্থাই কাম কৰে। এটাৰ উদ্দেশ্য আৰু কাৰ্য জাকজমকতাৰ সৃষ্টি আৰু আনটোৰ উদ্দেশ্য সংযম আৰু আড়ম্বৰহীনতা। এটাই বাহ্যিক আড়ম্বৰৰ জৰিয়তে প্ৰকাশ বিচাৰে আৰু আনটোৱে আমাৰ অন্তৰাত্মক স্পৰ্শ কৰি অভিভূত কৰে। প্ৰথমটোৱে বিৰাট পটভূমিৰ অৱতাৰণা কৰে আৰু দ্বিতীয়টোৱে নকৰে। এক কথাত ক'বলৈ গ'লে প্ৰথমটোৰ বহিৰ্জাগতিক বিস্তৃতি আছে ; দ্বিতীয়টোৰ নাই। কিন্তু দুয়োটাৰ সংমিশ্ৰণৰ ফলতহে সমাজৰ প্ৰতিবিম্ব। প্ৰতিফলিত হয়।

২১। ভাৰতীয় সংস্কৃতি ’ পাঠটো পঢ়ি তুমি কি কি ভাল কথা শিকিলা বৰ্ণনা কৰা।

উত্তৰঃ  হেম বৰুৱাৰ ভাৰতীয় সংস্কৃতি ' পাঠটোত বিভিন্ন জাতি - জনজাতি মিলন ভূমি ভাৰতবৰ্ষত কিদৰে আদিৰ পৰা বিভিন্ন জাতি , জনগোষ্ঠী , ধৰ্মীয় লোকে একেলগে । বাস কৰি আহি সংস্কৃতিৰ মিলন ঘটাইছে তাৰে বিষয়ে উল্লেখ আছে ।

পাঠটো পঢ়ি আমি যথেষ্ট ভাল ভাল কথাই শিকিব পাৰিলে । কিয়নো ভাৰতত আৰ্য ; অনাৰ্য , মংগোলীয় , দ্ৰাবিড় আদিৰ লগতে গ্ৰীক , শক , আদিৰ লোকো যে একেলগে নিগাজীভাৱে বসবাস কৰি আছে , সেই বিষয়ে জানিব পাৰিলো ।

সভ্যতা আৰু সংস্কৃতি সমাজত অতি ব্যৱহৃত শব্দ দুটাৰ পাৰ্থক্যৰ বিষয়ে জানি , শব্দ দুটাৰ মাজত থকা ভেদখিনি বুজিব পাৰিলো ।

যুগে যুগে ভাৰতত বিভিন্ন বংশৰ লোক আহি কিদৰে সংস্কৃতিৰ অবিচ্ছিন্ন ধাৰাড়াল আৰু মজবুত কৰিলে সেয়াও জানিব পাৰিলো ।

ভাৰতীয় বুৰঞ্জীত স্থানীয় আৰু বহিৰাগত সকল মিলি কিদৰে , সাংস্কৃতিক সমন্বয়ৰ সৃষ্টি কৰিছে সেয়াও এই পাঠত আছে ।আৰ্য - অনাৰ্য , দেৱ - দেৱী সকলৰ পূজা , বৰ্তমানৰ ইয়াৰ প্ৰচলন আদিৰ কথাও ইয়াৰ পৰা জানিলো ।

সংস্কৃতিৰ বিভিন্ন দিশ , সাহিত্য দৰ্শন , ভাস্কৰ্য , শিল্পকলা সংগীত সকলোবোৰতে যে ভাৰতত বাস কৰা বিভিন্ন সুকীয়া সংস্কৃতিৰ মিলন হৈছে সেয়াও এই পাঠৰ পৰাই অৱগত হলো । এই সাহিত্য , দৰ্শন , ভাস্কৰ্য নিজ নিজ বৈশিষ্ট্যও ইয়াত উল্লেখ কৰিছে ।

অজন্তা , মহেঞ্জোদাৰো , হৰপ্পা আদিৰ বিষয়েও এই পাঠৰ পৰাই কিছু জানিলো । মুঠতে পাঠটোত পঢ়ি আমি সংস্কৃতিৰ লগত জড়িত বহুতো ভাল ভাল কথা শিকিলোঁ ।

ভাষা বিষয়ক :

২২। সন্ধি ভাঙা :

উত্তৰ :
সংস্কৃতি = সম্ + কৃতি
সমন্বয় = সম্ + অন্বয়
সম্বন্ধ = সম্ + বন্ধ
ভাৰাক্ৰান্ত = ভাৰ + আক্ৰান্ত
সন্মত = সম্ + মত

২৩। বিশেষণ আৰু বিশেষ্যলৈ নিয়া ।

উত্তৰ :
বৈচিত্ৰ্য – বৈচিত্ৰময়
ভৌগোলিক – ভূগোল
বিস্তৃতি – বিস্তৃত
নৈৰাশ্য – নিৰাশ
বিপ্লৱ – বৈপ্লৱিক